NSD NEWS UNIT
AKASHVANI GUWAHATI
0000000000

Date : 23-11-2026
Time : 19-10 Hrs

ASSAMESE EVENING BULLETIN

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহৰ উপস্থিতিত আজি ভাৰত আৰু নেপালৰ মাজত আজি ৮ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়।

২। কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত ২০২৭-২৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেট প্ৰস্তুতিৰ অংশ হিচাপে বিভিন্ন খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে আলোচনাত মিলিত হয়।

৩। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিল্লীৰ দ্বাৰকাত নৱনিৰ্মিত অসম ভৱন মুকলি কৰে। *আ/ৰু*

৪। কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে বিগত সময়ছোৱাত সমগ্ৰ দেশতে ৫০ কোটি জনতা দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হৈছে বুলি জানিবলৈ দিছে।

০০০

ভাৰত আৰু নেপালৰ মাজত আজি ৮ খন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। স্বাস্থ্য, পৰম্পৰাগত চিকিৎসা, উপগ্ৰহীয় যোগাযোগ নেটৱৰ্ক ব্যৱস্থা, সামৰ্থবৰ্ধন প্ৰশিক্ষণ কাৰ্যসূচী, বহনক্ষম নগৰীয়া উন্নয়ন, শৈক্ষিক আৰু গৱেষণা তথা পশু পালন আৰু মীন উন্নয়ন আদি বিষয়ত এই চুক্তিসমূহ সম্পাদিত হয়। নতুন দিল্লীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহৰ মাজত হোৱা দ্বিপাক্ষিক বৈঠকৰ পাছত এই চুক্তিসমূহ স্বাক্ষৰ কৰা হৈছে।

দুয়োগৰাকী নেতাই ভাৰত-নেপাল সম্পৰ্কৰ বিভিন্ন দিশ ব্যাপকভাৱে আলোচনা কৰাৰ লগতে পাৰস্পৰিক স্বাৰ্থ সম্বলিত আঞ্চলিক আৰু গোলকীয় বিষয় সন্দৰ্ভতো মত বিনিময় কৰে।

এটা প্ৰেছ্ বিজ্ঞপ্তিত শ্ৰী মোদীয়ে ভাৰত-নেপালৰ সম্পৰ্কৰ কথা উল্লেখ কৰি কয়, যে দুয়োখন দেশৰ ইতিহাস, বিশ্বাস, সংস্কৃতি আদিৰ মিল থকাৰ লগতে জনসাধাৰণৰ মাজত ঘনিষ্ঠ সম্পৰ্ক আছে। তেওঁ কয়, যে এই সম্পৰ্ক কেৱল মাত্ৰ প্ৰতিবেশী দেশৰ কথা নহয়, বৰং এয়া হৈছে এক গভীৰ বিশ্বাস। শ্ৰী মোদীয়ে কয়, যে দুয়োখন দেশ এখনে আনখনৰ প্ৰগতিৰ অংশীদাৰ আৰু সমৰ্থক। মোদীয়ে কয়, যে দুয়ো দেশ বন্ধু হোৱা বাবে কঠিন সময়তো প্ৰত্যেকেই প্ৰত্যেকৰ সমৰ্থনৰ উৎস হৈ আছে। তেওঁ যোৱা আগষ্টত হোৱা নেপালৰ বিধবংসী বানৰ কবলত পৰি মৃত্যু হোৱা লোকসলৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। চলিত বৰ্ষৰ আগষ্ট মাহত প্ৰবল বানে বিভিষিকাৰ সৃষ্টি কৰা নেপালৰ জনসাধাৰণ পৰিয়ালৰ প্ৰতি সমবেদনা জ্ঞাপন কৰে। প্ৰধানমন্ত্ৰীয়ে কয়, যে নেপালৰ পুনৰ গঠন নিৰ্মাণৰ বাবে ভাৰতে ইতিমধ্যে ২৪ হাজাৰ কোটি নেপালী টকাৰ উন্নয়নমূলক সহযোগিতা পেকেজ ঘোষণা কৰিছে।

প্ৰধানমন্ত্ৰী মোদীয়ে কয়, যে ভাৰত হৈছে নেপাললৈ পেট্ৰ'লিয়াম গেছ্ যোগান ধৰা নিৰ্ভৰযোগ্য যোগানকাৰী। ভাৰতে নেপাললৈ বিগত কেইবাবছৰ ধৰি পেট্ৰ'লিয়ামজাত সামগ্ৰী যোগান ধৰি আহিছে। প্ৰধানমন্ত্ৰীয়ে প্ৰতিবেশী প্ৰথম নীতিত আলোকপাত কৰি কয়, যে তেল যোগানৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্বপূৰ্ণ প্ৰত্যাহ্বান থকা সত্বেও ভাৰতে নেপাললৈ ইন্ধন, সাৰ আৰু অন্যান্য গুৰুত্বপূৰ্ণ সামগ্ৰী যোগান ধৰি আহিছে।

বাইট-মোদী-পেট্রলিয়াম

ইপিনে, আন এটা বিবৃতিত নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহে কয়, যে ভাৰত নেপালৰ বাবে সদায় বিশ্বস্ত সহযোগী হৈ অহাৰ লগতে হিমালয় সদৃশ গভীৰ বিশ্বাসযোগ্যতাৰে থিয় দি আছে।

০০০

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণে আজি নতুন দিল্লীত ২০২৭-২৮ বৰ্ষৰ কেন্দ্ৰীয় বাজেট প্ৰস্তুতিৰ অংশ হিচাপে গৱেষণা আৰু উন্নয়ন তথা উচ্চ শিক্ষা খণ্ডৰ বিশেষজ্ঞসকলৰ সৈতে আলোচনাত মিলিত হয়। এই আলোচনাত অৰ্থনৈতিক পৰিক্ৰমা বিভাগ, শিক্ষা মন্ত্ৰালয় আৰু জৈৱ প্ৰযুক্তি বিভাগৰ শীৰ্ষ আমোলা বিষয়াৰ লগতে মুখ্য অৰ্থনৈতিক উপদেষ্টা ড০ ভি আনন্দ নাগেশ্বৰমো উপস্থিত থাকে।

ইয়াৰ পূৰ্বে আজি দিনৰ ভাগত কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে স্বাস্থ্য আৰু সামাজিক খণ্ডৰ বিশেষজ্ঞ আৰু অংশীদাৰসকলৰ সৈতে আলোচনাত মিলিত হৈছিল। এই বৈঠকত অৰ্থনৈতিক পৰিক্ৰমা, জনজাতি পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰ্যালয়ৰ সচিবসকলে অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে বিত্ত মন্ত্ৰ্যালয়ে প্ৰতিবছৰে বাজেট প্ৰস্তুতিৰ পূৰ্বে বিশেষজ্ঞ, উদ্যোগপতি, অৰ্থনীতিবিদ, আদিকে ধৰি বিভিন্ন ৰাজ্যৰ শীৰ্ষ বিষয়াকে ধৰি বহু ব্যক্তিৰ সৈতে আলোচনাত মিলিত হয়। বাজেটত দেশৰ প্ৰতিটো গুৰুত্বপূৰ্ণ খণ্ডৰ বাবে সুবিধা নিশ্চিত কৰাৰ উদ্দেশ্যে এনে বৈঠকসমূহৰ আয়োজন কৰা হয়।

০০০

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিল্লীৰ দ্বাৰকাত নৱনিৰ্মিত অসম ভৱন মুকলি কৰে। ২২ কোটি টকা ব্য সাপেক্ষে এই ভৱনটো নিৰ্মাণ কৰা হৈছে। এই উপলক্ষে দিয়া ভাষণত মুখ্যমন্ত্ৰী ড০ শৰ্মাই কয় যে বিশেষকৈ অসমৰ পৰা দীৰ্ঘ সময়ৰ বাবে দিল্লীলৈ যোৱা ছাত্ৰ-ছাত্ৰী তথা যুৱক-যুৱতীসকলৰ বাবে এই অসম ভৱনত সুবিধা কৰি দিয়া হ'ব। ৰাজ্য চৰকাৰে দিল্লীত থকা অসমৰ জনসাধাৰণৰ সুবিধাৰ প্ৰতি লক্ষ্য ৰাখি ৪টা অসম ভৱন নিৰ্মাণৰ পৰিকল্পনা গ্ৰহণ কৰা হৈছিল বুলি উল্লেখ কৰি ড০ শৰ্মাই কয় যে পুৰণি অসম ভৱনটো নতুনকৈ নিৰ্মাণৰ লগতে চৰ্দাৰ পেটেল মাৰ্গত থকা অসম ভৱনৰ নিৰ্মাণকাৰ্যও প্ৰায় সম্পূৰ্ণ হৈছে। তেওঁ দ্বাৰকাৰ ছেক্টৰ ১৭ত চতুৰ্থটো অসম ভৱন নিৰ্মাণৰ কাম অহা ফেব্ৰুৱাৰীত আৰম্ভ কৰা হ'ব বুলি জানিবলৈ দিয়ে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু নেপালৰ প্ৰধানমন্ত্ৰী বালেন্দ্ৰ শ্বাহে আজি নতুন দিল্লীৰ পৰা ভিডিঅ' কনফা�ৰেন্সিঙৰ জৰিয়তে উত্তৰ প্ৰদেশৰ অযোধ্যা আৰু নেপালৰ জনকপুৰ ধামৰ মাজত নতুন সাপ্তাহিক ৰে'ল সেৱাৰ পতাকা জোকাৰি শুভাৰম্ভ কৰে। ভাৰতীয় ৰে'লৱেই প্ৰৱৰ্তন কৰা সৰযু কমলা এক্সপ্ৰেছ নামৰ ৰে'লসেৱাৰ উদ্বোধনী যাত্ৰা অযোধ্যা ধাম ৰে'লৱে ষ্টেছনৰ পৰা আজি আৰম্ভ হয়। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি উত্তৰ প্ৰদেশৰ মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে এই ৰে'লসেৱাই ৰামায়ণ পৰম্পৰাৰ সৈতে গভীৰভাৱে জড়িত দুটা গন্তব্য স্থান জনকপুৰ আৰু অযোধ্যাৰ মাজত এক গুৰুত্বপূৰ্ণ সংযোগ স্থাপন কৰিব বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে এই ৰে'লগাড়ীখনে জনকপুৰ আৰু অযোধ্যাৰ মাজৰ ধৰ্মীয় যাত্ৰাৰ সুবিধা প্ৰদান কৰাৰ উপৰি ৰামায়ণৰ সৈতে জড়িত পৰ্যটনস্থলসমূহৰ লগতে শিক্ষা, ব্যৱসায় আৰু পৰিয়াল সম্পৰ্কীয় ভ্ৰমণসমূহক অধিক গতিশীলতা প্ৰদান কৰিব।

০০০

কেন্দ্রীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্রী শিৱৰাজ সিং চৌহানে বিগত সময়ছোৱাত সমগ্ৰ দেশতে ৫০ কোটি জনতা দৰিদ্ৰতাৰ কবলৰ পৰা মুক্ত হৈছে বুলি জানিবলৈ দিছে। প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন বিজেপি চৰকাৰৰ পৰিকল্পিত উন্নয়ন আৰু সুশাসনৰ বাবে এয়া সম্ভব হৈ উঠিছে বুলিও তেওঁ মন্তব্য কৰে। আজি নতুন দিল্লীত ভাৰতত দৰিদ্ৰতা হ্ৰাসৰ ক্ষেত্ৰত কৃষি খণ্ডৰ ভূমিকা শীৰ্ষক এখন আলোচনাচক্ৰত অংশগ্ৰহণ কৰি মন্ত্রীগৰাকীয়ে এই মন্তব্য কৰে। তেওঁ কয়, যে দেশৰ পৰা দৰিদ্ৰতা দূৰ কৰাৰ ক্ষেত্ৰত কৃষি খণ্ডই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। শেহতীয়াকৈ বিশ্ববেংকে প্ৰকাশ কাৰ এখন প্ৰতিবেদনত কৃষিখণ্ডই ভাৰতৰ দৰিদ্ৰতা হ্ৰাসৰ দ্ৰুত গতিক স্বীকৃতি দিয়া হৈছে বুলিও কৃষিমন্ত্রীগৰাকীয়ে উল্লেখ কৰে। এই ক্ষেত্ৰত অৰিহণা যোগোৱা কৃষি বিভাগৰ বিষয়া, গৱেষক আৰু অন্যান্য লোকসকলক মন্ত্রী চৌহানে অভিনন্দন জ্ঞাপন কৰে। মন্ত্রীগৰাকীয়ে কয় যে গ্ৰাম্য জীৱন আৰু জীৱিকাৰ উন্নতি, কৰ্মসংস্থাপনৰ সুযোগ সৃষ্টি আৰু জনসাধাৰণৰ উপাৰ্জন বৃদ্ধিৰ ক্ষেত্ৰত কৃষি খণ্ডই নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। তেওঁ লগতে কয় যে কৃষি বিভাগ, ভাৰতীয় কৃষি গৱেষণা পৰিষদ আৰু অন্যান্য প্ৰতিষ্ঠানসমূহেও শক্তিশালীকৰণ তথা সৰ্বাঙ্গীন উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই আহিছে। দৰিদ্ৰতাৰ পৰা মুক্ত হোৱা লোকসকল যাতে পুনৰ দৰিদ্ৰতাৰ কবলত পৰিবলগীয়া নহয় তাৰ বাবে মন্ত্রীগৰাকীয়ে বিশেষ গুৰুত্ব আৰোপ কৰে। দৰিদ্ৰতাৰ কবলত থকা দেশৰ বাকী লোকসকলকো দৰিদ্ৰতাৰ পৰা মুক্ত কৰাৰ বাবে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰি আহিছে বুলি উল্লেখ কৰি শ্ৰীচৌহানে কয় যে চৰকাৰৰ আঁচনিসমূহ সফলভাৱে ৰূপায়ণ কৰিবলৈ সংশ্লিষ্ট বিষয়াসকলে চেষ্টা কৰা উচিত। তদুপৰি কৃষি খণ্ডৰ সফলতা আৰু নতুন উদ্ভাৱনসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱাৰ ক্ষেত্ৰতো কৃষিমন্ত্রী শিৱৰাজ সিং চৌহানে গুৰুত্ব আৰোপ কৰে।

০০০

গোৱাত অনুষ্ঠিত ৫৭ সংখ্যক আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱত ১০ খন ছবিয়ে সন্মানীয় আই চি এফ টি- ইউনেস্ক' গান্ধী পদকৰ বাবে প্ৰতিযোগিতাত অৱতীৰ্ণ হয়। মহাত্মা গান্ধীৰ অহিংসা, সহিষ্ণুতা, আন্তঃসাংস্কৃতিক বুজাবুজি আৰু শান্তিৰ সংস্কৃতিৰ আদৰ্শক প্ৰতিফলিত কৰা ছবিসমূহক এই বঁটাৰ জৰিয়তে স্বীকৃতি প্ৰদান কৰা হয়। এইবাৰৰ প্ৰতিযোগিতাৰ বাবে নিৰ্বাচিত ১০ খন ছবিয়ে বিভিন্ন সাংস্কৃতিক প্ৰেক্ষাপটত মানুহৰ সম্পৰ্ক, সামাজিক প্ৰত্যাহ্বান আৰু উমৈহতীয়া প্ৰমূল্যক দাঙি ধৰিছে।

উল্লেখযোগ্য যে বিশেষভাৱে সক্ষম লোকসকলৰ বাবে দায়বদ্ধতাৰে আন্তঃৰাষ্ট্রীয় চলচ্চিত্র মহোৎসৱে বিভিন্ন দিশত কাম কৰি আছে। স্বয়ম নামৰ সংগঠনটোৰ মুৰববী ভূপেন্দৰ সিঙে প্ৰধানমন্ত্রী নৰেন্দ্ৰ মোদীৰ সুগম্য ভাৰত অভিযানৰ অংশ হিচাপে দেশখনক সকলোৰে বাবে সুলভ কৰি তোলাৰ চেষ্টা কৰা হৈছে বুলি মন্তব্য কৰে।

০০০

সমাপ্ত